**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-05-2025
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***

**--------------------**

১।	সংঘৰ্ষ বিৰতিৰ উলংঘাৰ ঘটনা ঘটা মাত্ৰেই ভাৰতে পাকিস্তানক উচিত প্ৰত্যুত্তৰ দিব বুলি ডিজিএমঅ'ৰ সংবাদমেলত সকীয়নি।

২।	পাকিস্তানৰ বিৰুদ্ধে সংঘৰ্ষ বিৰতি সন্মতি প্ৰকাশৰ পাছতে আজি দুয়ো দেশৰ ডিজিএমঅ'ৰ মাজত আলোচনা।

৩।	পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনাৰ দ্বিতীয় দিনাও বিভিন্ন জিলাত বিজেপিৰ অগ্ৰগতি।

৪।	আজি বুদ্ধ পূৰ্ণিমা। বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো বুদ্ধ পূৰ্ণিমা উদযাপন।	**আৰু**

৫।	বিহাৰত চলি থকা সপ্তম খেল' ইণ্ডিয়া যুৱ ক্ৰীড়াত অসমৰ ১৫০টা পদক অৰ্জন।

০০০০০০

ভাৰতীয় সশস্ত্ৰ বাহিনীয়ে অপাৰেচন সিন্দূৰৰ জৰিয়তে পাকিস্তানৰ এশজনৰো অধিক সন্ত্ৰাসবাদীক নিহত কৰিছে আৰু ইয়াৰ ভিতৰত ২০১৯ চনৰ পুলৱামা আক্ৰমণ আৰু ১৯৯৯ চনত ভাৰতীয় বিমান অপহৰণৰ সৈতে জড়িত সন্ত্ৰাসবাদীও আছে। ভাৰতীয় সশস্ত্ৰ বাহিনীৰ তিনিওটা শাখাই কালি সন্ধিয়া এখন সংবাদমেলযোগে এইকথা প্ৰকাশ কৰে। সংবাদমেলত স্থলসেনা বাহিনীৰ সামৰিক অভিযানৰ সঞ্চালক প্ৰধান, ডি জি এম অ' লেফটেনেণ্ট জেনেৰল ৰাজীৱ ঘাই, বায়ুসেনা বাহিনীৰ ডি জি এম অ' এয়াৰ মাৰ্শ্বল এ কে ভাৰ্তি আৰু নৌসেনা বাহিনীৰ ডি জি এম অ' ভাইচ এডমিৰেল প্ৰমোদে অংশগ্ৰহণ কৰে। স্থলসেনা বাহিনীৰ ডি জি এম অ' ঘাইয়ে কয়, যে পেহেলগামত ২৬ জন নিৰীহ লোকক সন্ত্ৰাসবাদীৰ আক্ৰমণৰ ঘটনাৰ প্ৰত্যুত্তৰ হিচাপে এই সন্ত্ৰাসবাদ বিৰোধী অভিযান চলোৱা হৈছিল আৰু ইয়াৰ দ্বাৰা সন্ত্ৰাসবাদীৰ ঘাটিসমূহ চিনাক্ত কৰি ধ্বংস কৰাৰ লগতে সন্ত্ৰাসবাদী কাৰ্যকলাপৰ বাবে ব্যৱহাৰ কৰা আন্তঃগাঁথনি নষ্ট কৰাৰো চেষ্টা চলোৱা হৈছিল। ইয়াৰ বাবে পাকিস্তান অধীকৃত জন্মু-কাশ্মীৰ আৰু পাকিস্তানত ৯টা এনে ঘাটি চিনাক্ত কৰি অভিযান চলোৱা হৈছিল। এই অভিযানত তিনিজন দুৰ্ধৰ্ষ সন্ত্ৰাসবাদী ইউচুফ আজহাৰ, আব্দুল মালিক ৰৌফ আৰু মুদাছিৰ আহমেদৰ লগতে মুঠ ১০০ জন সন্ত্ৰাসবাদী নিহত হোৱা বুলি তেওঁ প্ৰকাশ কৰে।

**বাইট (ৰাজীৱ ঘাই)**

ভাৰতে সন্ত্ৰাসবাদৰ বিৰুদ্ধে গ্ৰহণ কৰা শূন্য সহনশীলতাৰ নীতিৰ অধীনত কেৱল সন্ত্ৰাসবাদক লক্ষ্য কৰিহে এই অভিযান চলাইছে বুলি তেওঁ দৃঢ়তাৰে প্ৰকাশ কৰে।

বায়ুসেনা বাহিনীৰ ডি জি এম অ' এ কে ভাৰ্তিয়ে বায়ুসেনাই অভিযানত আঘাত হনা স্থানসমূহৰ নক্সাচিত্ৰ প্ৰদৰ্শন কৰে। এই অভিযানত সন্ত্ৰাসবাদীৰ কেইবাটাও প্ৰশিক্ষণ শিবিৰ ধ্বংস কৰা হৈছে বুলিও তেওঁ বিস্তৃত তথ্য

সহকাৰে প্ৰকাশ কৰে। পাকিস্তানে ভাৰতৰ জনবসতিপূৰ্ণ অঞ্চল আৰু সামৰিক ঘাটিলৈ লক্ষ্য কৰি ৮ আৰু ৯ মে'ত অপ্ৰৰোচিতভাৱে গোলাবৰ্ষণ আৰু ড্ৰোণেৰে কৰা আক্ৰমণ সশস্ত্ৰ বাহিনীয়ে প্ৰতিহত কৰে বুলি তেওঁ সদৰি কৰে। তেওঁ কয়, যে ভাৰতীয় সশস্ত্ৰ বাহিনীয়ে সুনিৰ্দিষ্ট আৰু পৰিকল্পিতভাৱে সন্ত্ৰাসবাদী ঘাটিসমূহকহে আক্ৰমণৰ লক্ষ্য কৰি লৈছিল। তদুপৰি পাকিস্তানৰ অপ্ৰৰোচিত আক্ৰমণ প্ৰতিহত কৰাৰ বাবে তেওঁলোকৰ বায়ুসেনা প্ৰতিৰক্ষা ব্যৱস্থাতো আঘাত হনা হৈছিল বুলি তেওঁ কয়। অৱশ্যে অসামৰিক বিমানক কোনো কাৰণতে আক্ৰমণ কৰা হোৱা নাছিল বুলিও তেওঁ জানিবলৈ দিয়ে।

**বাইট (এ কে ভাৰ্তি)**

নৌসেনা বাহিনীৰ ডি জি এম অ' প্ৰমোদে সংবাদমেলত কয়, যে ভাৰতে দায়িত্বশীল, যথোচিত আৰু বিবেচকভাৱে পাকিস্তানৰ আক্ৰমণ আৰু অভিসন্ধিৰ প্ৰত্যুত্তৰ দিছে। তেওঁ কয়, যে সংঘৰ্ষ বিৰতিৰ উলংঘাৰ ঘটনা ঘটা মাত্ৰেই ভাৰতে পাকিস্তানক উচিত প্ৰত্যুত্তৰ দিব। এই অভিযানত ৫ জন ভাৰতীয় জোৱান শ্বহীদ হৈছে আৰু পাকিস্তানৰ কমেও ৪০ জন সেনা নিহত হৈছে বুলি সংবাদমেলত বিষয়াকেইগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০

পাকিস্তানৰ বিৰুদ্ধে সংঘৰ্ষ বিৰতিত সন্মতি প্ৰকাশ কৰাৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কালি নতুন দিল্লীৰ চৰকাৰী বাসভৱনত এখন উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয়। এই বৈঠকত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং , বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ, ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভাল, চীফ অফ ডিফেনছ্ ষ্টাফ জেনেৰেল অনিল চৌহান, সেনা প্ৰধান জেনেৰেল উপেন্দ্ৰ দ্বিবেদী, নৌসেনা প্ৰধান এডমিৰেল দীনেশ কে ত্ৰিপাঠী আৰু বায়ু সেনা প্ৰধান এয়াৰ চীফ মাৰ্শ্বাৰ্ল অমৰ প্ৰীত সিং উপস্থিত আছিল। এই বৈঠকত সংঘৰ্ষ বিৰতিৰ বাবে দুয়ো দেশৰ পাৰস্পৰিক সন্মতিৰ পাছতো পৰহি পাকিস্তানে কৰা আক্ৰমণ আৰু দেশখনৰ সম্ভাব্য আক্ৰমণ প্ৰতিৰোধ তথা ৰণকৌশল সন্দৰ্ভত আলোচনা কৰা হয়। উল্লেখযোগ্য যে আজি দিনৰ ১২ বজাত দুয়ো দেশৰ সামৰিক অভিযানৰ সঞ্চালকপ্ৰধান অৰ্থাৎ DGMO পৰ্যায়ৰ আলোচনা অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় চৰকাৰৰ সূত্ৰই প্ৰকাশ কৰে মতে পাকিস্তানৰ সৈতে সংঘৰ্ষ বিৰতি মানি চলা হৈছে যদিও ভাৰতে অপাৰেচন সিন্দূৰ বন্ধ কৰা নাই আৰু সন্ত্ৰাসবাদ বিৰোধী অভিযান অব্যাহত থাকিব। পাকিস্তানৰ ফালৰ পৰা আক্ৰমণ চলিলে যোগ্য প্ৰত্যুত্তৰ দিবলৈ সেনাবাহিনীৰ কমাণ্ডাৰসকলক কৰ্তৃত্ব দিয়া হৈছে বুলি সূত্ৰটোৱে প্ৰকাশ কৰিছে। ইয়াৰ আগেয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আমেৰিকাৰ উপ-ৰাষ্ট্ৰপতি জে ডি ভান্সৰ সৈতে টেলিফোনযোগে হোৱা কথা বতৰাত কাশ্মীৰক লৈ দেশখনৰ মধ্যস্থতাৰ প্ৰস্তাৱ নাকচ কৰাৰ লগতে পাকিস্তানে আক্ৰমণ কৰিলে ভাৰতে উচিত প্ৰত্যুত্তৰ দিব বুলি প্ৰকাশ কৰিছিল।

০০০০০০

পঞ্চায়ত নিৰ্বাচনৰ যোৱা নিশালৈকে লাভ কৰা ভোটগণনাৰ তথ্য অনুসৰি বিজেপিয়ে বিভিন্ন জিলাত অগ্ৰগতি লাভ কৰিছে। যোৱা নিশা চাৰে ৯ বজালৈকে লাভ কৰা তথ্য অনুসৰি জিলা পৰিষদৰ মুঠ ৩৯৭ খন আসনৰ ভিতৰত বিজেপি মিত্ৰজোঁটে ২৮৩ খন আসনত জয় বা অগ্ৰগতি লাভ কৰিছে। ৫১ খনত কংগ্ৰেছ আৰু ৮ খন আসনত এ আই ইউ ডি এফ দলে অগ্ৰগতি লাভ কৰিছে। আঞ্চলিক পঞ্চায়তৰ ২ হাজাৰ ১৯২ খন আসনৰ ভিতৰত বিজেপিয়ে ৬৯০ খনত আৰু কংগ্ৰেছে ৫১ আৰু এ আই ইউ ডি এফে ১০ খন আসনত আগবাঢ়ি আছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি দলৰ ৰাজ্যিক সভাপতি দিলীপ কুমাৰ শইকীয়া আৰু দলৰ সাংগঠনিক

সম্পাদক ৰবীন্দ্ৰ ৰাজু, সাংসদ ভূৱনেশ্বৰ কলিতাৰ লগতে দলৰ শীৰ্ষ নেতাসকলৰ উপস্থিতিত সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰে। তেওঁ লগতে দলৰ বিজয়ৰ দিশে এই সন্তোষজনক অগ্ৰগতিত আনন্দ প্ৰকাশ কৰি ৰাজ্যখনৰ জনসাধাৰণক ধন্যবাদ জ্ঞাপন কৰে। আমাৰ সংবাদদাতাসকলে জনোৱা মতে ভোটগণনাৰ শেহতীয়া তথ্য অনুসৰি কেইবাখনো জিলাত বিজেপিয়ে অগ্ৰগতি লাভ কৰিছে। শিৱসাগৰ জিলাৰ ৩টা বিধানসভা সমষ্টিৰ ১২ খন জিলা পৰিষদৰ ১১ খনত বিজেপিয়ে অগ্ৰগতি লাভ কৰিছে। জিলাখনত ভোটগণনা ফলাফল সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা মুজাহিদ আলী–

**ভইচ (মুজাহিদ আলী)**

শ্ৰীভূমি জিলাত পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনা চলি আছে। জিলাখনৰ ৪টা বিধানসভা সমষ্টি- উত্তৰ কৰিমগঞ্জ, দক্ষিণ কৰিমগঞ্জ, পাথাৰকান্দি আৰু ৰামকৃষ্ণ নগৰক সামৰি ১৬ খন জিলা পৰিষদৰ দুখন আসন বিজেপিয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে লাভ কৰে। বাকী ১৪ খন জিলা পৰিষদ, ৯৬ খন আঞ্চলিক পঞ্চায়ত আৰু ৱাৰ্ড সদস্য পদৰ বাবে ১০ খনকৈ গণনামেজত গণনা চলি আছে। শেহতীয়া তথ্য অনুসৰি আসনসমূহত শাসকীয় দলৰ আধিপত্য অব্যাহত আছে।

**ধেমাজি** জিলাৰ শেহতীয়া ফলাফল অনুসৰি দুখন জিলা পৰিষদ সমষ্টিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীয়ে জয়লাভ কৰিছে। শোণিতপুৰ জিলাৰ নদুৱাৰ সমষ্টিত ৪খন জিলা পৰিষদ, ১৯ খন আঞ্চলিৰ পঞ্চায়ত আৰু ১৯০টা ৱাৰ্ড সদস্য পদৰ প্ৰাৰ্থীসকলে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰে। দুটা ৱাৰ্ডত বিজেপি প্ৰাৰ্থী বিপুল ভোটত জয়লাভ হৈছে। লখিমপুৰ জিলাতো ১৯ খন জিলা পৰিষদ, ৮২ খন আঞ্চলিক পঞ্চায়ত ৭৯১ ৱাড সদস্য পদৰ বাবে ভোটগণনা চলি আছে। গণনা অব্যাহত থকা ১৯ খন জিলা পৰিষদৰ প্ৰায়কেইখনতে শাসকীয় দল আগবাঢ়ি আছে বুলি আমাৰ সংবাদদাতাই জনাইছে। নগাঁও জিলাত নিৰ্বাচনৰ শেহতীয়া তথ্য অনুসৰি ৯ খন জিলা পৰিষদ আসনত শাসনাধিষ্ঠ বিজেপি মিত্ৰজোঁট বিজয়ৰ দিয়ে অগ্ৰসৰ হৈছে। ৬ খন আসনত বিজেপিয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিছে। ১২ খন আসনত কংগ্ৰেছ দলে অগ্ৰগতি লাভ কৰিছে। এই সন্দৰ্ভত এয়া আমাৰ নগাঁৱৰ সংবাদদাতা মুনীন্দ্ৰ শইকীয়া–

**ভইচ (মুনীন্দ্ৰ শইকীয়া)**

কামৰূপ জিলাৰ ৪ খন জিলা পৰিষদৰ আসনত বিজেপি প্ৰাৰ্থীয়ে জয়লাভ কৰিছে। জিলাখনত ভোটগণনাৰ শেহতীয়া তথ্যৰ সৈতে এয়া আমাৰ সংবাদদাতা কৌশিক দাস—-

**ভইচ (কৌশিক দাস)**

বৰপেটা জিলাৰ ভোটগণনাৰ শেহতীয়া তথ্য অনুসৰি জিলা পৰিষদৰ ৫ খন আসনৰ ফলাফল পোৱা গৈছে। ইয়াৰে বিজেপিয়ে ৩ খন, অসম গণ পৰিষদে এখন আৰু কংগ্ৰেছ দলে এখন আসন লাভ কৰিছে। জিলাখনত গাঁও পঞ্চায়ত আৰু আঞ্চলিক পঞ্চায়তৰ সদস্য পদৰ ভোটগণনা চলি আছে।

০০০০০০

বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগতে বিশেষকৈ দক্ষিণ-পূব এছিয়া আৰু অসমতো আজি বুদ্ধ পূৰ্ণিমা উদযাপন কৰা হৈছে। গৌতম বুদ্ধৰ জন্মৰ দিনটোৰ লগতে বুদ্ধগয়াত মহাবোধি বৃক্ষৰ তলত তেওঁ পৰিনিৰ্বাণ লাভ কৰা দিন উপলক্ষে আজি বুদ্ধ পূৰ্ণিমা পালন কৰা হয়। সমগ্ৰ বিশ্বৰ বৌদ্ধ আৰু হিন্দু ধৰ্মাৱলম্বী লোকসকলে এই দিনটো উদযাপন কৰাৰ লগতে ভাৰত, নেপাল, ভূটান, বাৰ্মা, থাইলেণ্ড,

তিব্বত, কোৰিয়া, লাওছ, ভিয়েটনাম, মংগোলিয়া, কম্বোডিয়া, ছিংগাপুৰ, ইণ্ডোনেছিয়া আৰু শ্ৰীলংকাৰ দৰে দেশসমূহত মহা আড়ম্বৰেৰে এই দিৱস উদযাপন কৰা হয়।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে গৌতম বুদ্ধৰ সমূহ অনুগামীলৈ বুদ্ধ পূৰ্ণিমাৰ শুভেচ্ছা জ্ঞাপন কৰিছে। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখৰেও আটাইলৈ বুদ্ধ পূৰ্ণিমাৰ শুভেচ্ছা জনাইছে। ভগৱান বুদ্ধৰ অহিংসা তথা দয়াৰ বাৰ্তা আজিৰ সময়ত সমাজ তথা মানৱতাৰ বাবে পূৰ্বতকৈ অধিক প্ৰাসংগিক বুলি তেওঁ মত প্ৰকাশ কৰে।

০০০০০০

সমৰ্থ প'ৰ্টেলৰ জৰিয়তে শিক্ষাৰ্থীসকলে আজিৰ পৰা চলিত ২০২৫-২৬ বৰ্ষত স্নাতক পাঠ্যক্ৰমত নিজৰ নাম পঞ্জীয়ন কৰিব পাৰিব। ৰাজ্যৰ শিক্ষা বিভাগে এই সন্দৰ্ভত জাননী জাৰি কৰিছে। নিৰ্দেশনা অনুসৰি অনা উমৈহতীয়া বিশ্ববিদ্যালয় বাছনি পৰীক্ষা অৰ্থাৎ ন'ন চি ইউ ই টিৰ প্ৰাৰ্থীসকলৰ ক্ষেত্ৰত আজিৰ পৰা ২২ মে'লৈকে আবেদনকাৰীৰ দ্বাৰা পাঠ্যক্ৰম নিৰ্বাচন আৰু শিক্ষানুষ্ঠানৰ দ্বাৰা আবেদনসমূহৰ পৰীক্ষণ প্ৰক্ৰিয়া আৰম্ভ হ'ব। ২৯ মে'ৰ পৰা ১ জুনৰ ভিতৰত প্ৰথমখন মেধা তালিকা প্ৰস্তুত কৰি চূড়ান্ত কৰাৰ লগতে ২ জুনত প্ৰথম মেধা তালিকা প্ৰকাশ পাব। ৪ জুন আৰু ৫ জুনত প্ৰথম মেধা তালিকাত অন্তৰ্ভুক্ত ছাত্ৰ-ছাত্ৰীসকলৰ নামভৰ্তিৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। ৭ জুনত দ্বিতীয়খন মেধা তালিকা প্ৰকাশ পাব। ৯ জুন আৰু ১০ জুনত তালিকাখনত অন্তৰ্ভুক্ত হোৱা শিক্ষাৰ্থীসকলৰ নামভৰ্তি প্ৰক্ৰিয়া আৰম্ভ হ'ব। ১১ জুনৰ পৰা ১৪ জুনলৈকে পোনপটীয়া নামভৰ্তি প্ৰক্ৰিয়া আৰম্ভ হ'ব। অহা ১ আগষ্টৰ পৰা প্ৰথম যান্মাষিকৰ শ্ৰেণীসমূহ আৰম্ভ হ'ব। উমৈহতীয়া বিশ্ববিদ্যালয় বাছনি পৰীক্ষা অৰ্থাৎ চি ইউ ই টিৰ জৰিয়তে নিৰ্বাচিত প্ৰাৰ্থীসকলৰ নামভৰ্তি প্ৰক্ৰিয়া ৫ জুলাইৰ পৰা আৰম্ভ হ'ব।

০০০০০০

বিহাৰত চলি থকা সপ্তম খেল' ইণ্ডিয়া যুৱ ক্ৰীড়াত অসমে ১৫০টা পদক অৰ্জন কৰিবলৈ সমৰ্থ হৈছে। ২০১৮ চনৰ পৰা আৰম্ভ হোৱা ভাৰত চৰকাৰৰ প্ৰতিভা সন্ধানী ক্ৰীড়া প্ৰতিযোগিতাত খেল' ইণ্ডিয়া, যুৱ ক্ৰীড়াৰ নতুন দিল্লীৰ উদ্বোধনী বৰ্ষত অসমে এটাকৈ সোণ, ব্ৰঞ্জ আৰু দুটা ৰূপসহ চাৰিটা পদক লাভ কৰিছিল। পৰৱৰ্তী দ্বিতীয় সংস্কৰণত অসমে ১০ টা পদক লাভ কৰিবলৈ সক্ষম হৈছিল। ২০২০ চনত গুৱাহাটীত অনুষ্ঠিত হোৱা তৃতীয় খেল' ইণ্ডিয়া যুৱ ক্ৰীড়া অসমে ২০ টা সোণ, ২২ টা ৰূপ আৰু ৩৪ টা ব্ৰঞ্জ সহ মুঠ ৭৬টা পদক লাভ কৰিবলৈ সক্ষম হৈছিল। পৰৱৰ্তী ২০২২, ২০২৩ আৰু ২০২৪ চনৰ খেল' ইণ্ডিয়া যুৱ ক্ৰীড়াত অসমে পদক অৰ্জন কৰিছিল যদিও ২০২০ চনতেই আছিল অসমৰ শ্ৰেষ্ঠ প্ৰদৰ্শন।

০০০০০০

যুদ্ধ বিৰতিৰ পিছতো সন্ত্ৰাসবাদ প্ৰসংগত ভাৰতৰ কঠোৰ স্থিতি  ঘোষণা। কাশ্মীৰক লৈ ভাৰত আৰু পাকিস্তানৰ মাজত মধ্যস্থতা কৰিবৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰই দিয়া প্ৰস্তাৱ ভাৰতে নাকচ কৰিছে। এই সন্দৰ্ভত অসমীয়া প্ৰতিদিন কাকতে বাতৰি প্ৰকাশ কৰিছে। এই একেটা বাতৰি অন্যান্য কাকতৰ লগতে দৈনিক জনমভূমি কাকতে **ভাৰতৰ লক্ষ্য এতিয়া পি অ' কে** শিৰোনামেৰে  প্ৰকাশ কৰিছে।

দেশৰ পূব আৰু উত্তৰ-পূব অঞ্চলত চুবুৰীয়া বাংলাদেশৰ পৰা নতুন ভাবুকিৰ সৃষ্টি হৈছে। পূৰ্বোত্তৰকে ধৰি পূব ভাৰতত বাংলাদেশে অস্থিৰতা সৃষ্টিৰ চেষ্টা কৰিছে। দৈনিক অসম কাকতে এই বাতৰি প্ৰকাশ কৰিছে।

দৈনিক জনমভূমি কাকতে অপাৰেচন সিন্দুৰৰ পৰা যুদ্ধ বিৰতিলৈ আলোচনা বিচাৰি ৰাজ্যসভাত বিৰোধী দলপতি মল্লিকাৰ্জুন খাৰ্গে আৰু লোকসভাত বিৰোধী দলপতি ৰাহুল গান্ধীয়ে প্ৰধানমন্ত্ৰীলৈ পত্ৰ প্ৰেৰণ কৰাৰ বাতৰি প্ৰকাশ কৰিছে।

পাকিস্তানে পুনৰ যুদ্ধ বিৰতিৰ চুক্তি উলংঘা কৰিলে ভাৰতে প্ৰত্যাক্ৰমণ কৰিব। ইয়াৰ বাবে প্ৰতিৰক্ষা বাহিনীসমূহৰ মুৰববী উপেন্দ্ৰ দ্বিবেদীয়ে দেশৰ পশ্চিম সীমান্তত নিয়োজিক সেনা কমাণ্ডাৰ সকলক পূৰ্ণ কৰ্তৃত্ব প্ৰদান কৰিছে। এই বাকৰি দৈনিক অগ্ৰদূত কাকত।

ভোট গণনা চলি থকাৰ সময়তে শিলচৰৰ ভোট গণনা কেন্দ্ৰত প্ৰাৰ্থী আৰু সমৰ্থকৰ মাজত মাৰপিতৰ ঘটনা সংঘটিত হয়। এই বাতৰিটো অসমীয়া খবৰ কাকতৰ।

নিয়মীয়া বাৰ্তা কাকতে **সীমাৰ সিপাৰৰ গুলীৰ প্ৰত্যুত্তৰ দিয়া হ'ব গোলাৰে** শিৰোনামেৰে বাতৰি প্ৰকাশ কৰি যুদ্ধ বিৰতিৰ প্ৰসংগত মাৰ্কিন উপ-ৰাষ্ট্ৰীপতিক ভাৰতে দিয়া স্পষ্ট বাৰ্তাৰে এটা বাতৰি প্ৰকাশ কৰিছ।

পাকিস্তানৰ বিৰুদ্ধে ভাৰতীয় সেনাই চলোৱা অপাৰেচন সিন্দুৰ অধিযানত পাকিস্তানৰ ৩৫ৰ পৰা ৪০ গৰাকী সেনাৰ প্ৰাণ হানি হৈছে। ডি জি এম অ'ই কালি সংবাদ মেলত এই কথা প্ৰকাশ কৰে। এই বাতৰি দি আছাম ট্ৰিবিউন কাকতৰ।

oooooo

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। অসম আৰু মণিপুৰত প্ৰতি ঘণ্টাত ৪০ৰ পৰা ৫০ কিলোমিটাৰ বেগেৰে বতাহ বলাৰ সম্ভাৱনা আছে বুলি কেন্দ্ৰটোৱে উল্লেখ কৰিছে। নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰতো পাতলীয় বৰষুণৰ সম্ভাৱনা আছে বুলি আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই লগতে প্ৰকাশ কৰিছে।

oooooo

সমাপ্ত